# পরিশিষ্ট

# ১১.০০পৰিশিষ্ট

## ১১.১০ ৰাভামিজত ৰাভা সমাজৰ প্ৰতিফলন ঃ

ভাষা অকল এখন সমাজত বসবাস কৰা মানুহবোৰৰ ভাব বিনিময়ৰ মাধ্যমেই নহয়, ই সেইখন সমাজৰ সংস্কৃতিৰ পৰিপূৰকো। কোনো এটা ভাষাৰ মাজেদি সেই ভাষা কোৱা সমাজখনৰ লোকাচাৰ, সামাজিক প্ৰথা, বিশ্বাস-অবিশ্বাস, অন্য মানুহৰ প্ৰতি পোষণ কৰা মনোভাৱ আদিও সুন্দৰকৈ প্ৰতিফলিত হোৱা দেখা যায়। বিশেষকৈ ভাষাটোত ব্যৱহৃত শব্দ, জতুৱা ঠাঁচ আদিৰ মাজেদি সেই ভাষা-ভাষী লোকসকলৰ সমাজখনৰ এটি স্পষ্ট ছবি প্ৰতিফলিত হোৱা দেখা যায়। এডৱাৰ্ড ছাপিৰৰ ভাষাত, "It is the vocabulary of a language that most clearly reflects the physical and social environment of its speakers. the complete vocabulary of a language may indeed be looked upon as a complex inventory of all the ideas, interests and occupations that take up the attention of the community, and were such a complete thesaurus of the language of a given tribe at our disposal, we might to a large extent infer the character of the physical environment and the characteristics of the culture of the people making use of it."[১]

অন্যান্য নৃগোষ্ঠীয় উপভাষাৰ দৰেই ৰাভাসকলৰ কথিত অসমীয়া বা ৰাভামিজতো ৰাভাসকলৰ সমাজ আৰু সংস্কৃতিৰ বিভিন্ন দিশ প্ৰতিফলিত হৈছে। উপভাষাটোৰ শব্দ, খণ্ডবাক্য, জতুৱা ঠাঁচ আদিৰ মাজেদি কেনেদৰে ৰাভাসকলৰ সমাজ আৰু সংস্কৃতি প্ৰতিফলিত হৈছে, তাক তলত আলোচনা কৰা হ'ল।

ৰাভা সমাজ যে পূৰ্বতে মাতৃপ্ৰধান আছিল, তাক ৰাভামিজত ব্যৱহৃত কেতবোৰ শব্দৰ পৰা অনুমান কৰিব পাৰি। পিতৃ প্ৰধান সমাজ ব্যৱস্থাত পিতৃক অগ্ৰাধিকাৰ দিয়া হয়; কিন্তু ৰাভা

১.Madelbaum David G. (ed.) : LANGUAGE AND ENVIRONMENT in SELECTED WRITINGS OF EDWARD SAPIR, 1949, p. 90

সমাজ ব্যৱস্থাত মাতৃকহে গুৰুত্ব দিয়া হয়। সেইদৰে পিতৃপ্ৰধান সমাজত গোত্ৰৰ বিচাৰত পিতৃ বংশক গুৰুত্ব দিয়া হয় যদিও ৰাভা সমাজত মাতৃ বংশকহে (মাহাৰি) গুৰুত্ব দিয়া হয়। মাতৃক গুৰুত্ব দিয়া ৰাভামিজত ব্যৱহৃত কেতবোৰ শব্দ হ'ল—

মাহাৰি, 'মাতৃ, গোত্ৰ, মূল, উৎস'

চ'ৰে মাহাৰি, 'থুপিতৰা'

চ'ৰে মাহাৰি খেল, 'এবিধ খেল'

সুৰাচি/ বাখ'ৰ মাহৰি, 'নতুন বাখৰ তৈয়াৰ কৰোঁতে ব্যৱহাৰ কৰা পুৰণি বাখৰৰ অংশ'

ম'দ'ৰ মাহাৰি, 'ঘোৰ মদপী'

মাহাৰি ধান, 'শীষত লাগি থকা প্ৰথমৰ ধান, মূল বীজ' ইত্যাদি।

ৰাভা সমাজত নাৰীৰ ভূমিকা যথেষ্ট। এই কথা ৰাভামিজৰ মাজেদি প্ৰতিফলিত হৈছে। কিছুমান শব্দ, বিশেষকৈ গালি-শপনিৰ লগত জৰিত শব্দ নাৰীৰ মুখৰ পৰাই সৃষ্টি হৈছিল বুলি ক'ব পাৰি। এই গালি-শপনি সমূহ সাধাৰণতে নাৰীৰ মুখতহে শুনা যায়। যেনে—

ৰ'ক'ত খাওৰা, 'মদপী পুৰুষ'

ৰ'ক'ত খাইতী, 'মদপী মহিলা'

ভিথি ম'ৰা, 'নিৰ্বংশ হোৱা'

ভিথিচ'ন হোৱা, 'ভেটি উচন হোৱা'

শগুন'ৰ বুকুত যাওৰা, 'মৰা'

ভাতাৰ ফালিঙি, 'বাৰ বনিতা'

নুনু ডাঙিৰী, 'উন্নত স্তনৰ নাৰী অৰ্থাৎ কামুক'

খোপা ডাঙিৰী, 'ধুন পেচ মাৰি ফুৰা তিৰোতা'

ছুল ছুলী, 'চঞ্চলা আৰু লচপচী স্বভাৱৰ তিৰোতা'

হ'ত'চিৰী যাওৰা, 'নিৰ্বংশ হোৱা পুৰুষ'

হ'ত'চিৰী যাইতী, 'নিৰ্বংশ হোৱা মহিলা' ইত্যাদি।

মান্য অসমীয়াৰ দ্বিতীয় পুৰুষত যেনেদৰে অধিক মান্যাৰ্থ, মান্যাৰ্থ আৰু তুচ্ছাৰ্থৰ বাবে সুকীয়া সুকীয়া পুৰুষবাচক বিভক্তিৰ ব্যৱহাৰ আছে, তেনেদৰে ৰাভামিজত মান্যাৰ্থ আৰু তুচ্ছাৰ্থৰ বাবে সুকীয়া সুকীয়া বিভক্তিৰ প্ৰয়োগ নহয়। ইয়াৰ পৰা ৰাভা সমাজত যে উচ্চ শ্ৰেণী বা নিম্ন শ্ৰেণী বুলি কেনো শ্ৰেণী বিভাজন নাই, তাক ধৰিব পাৰি। দৰাচলতে তিব্বত-বৰ্মীয় ভাষামূলৰ সকলো জনজাতীয় লোকৰ অসমীয়া ভাষাতে এই বৈশিষ্ট্যটো দেখা যায়। এইখিনিতে জনজাতীয় মূলৰ গোবিন্দ আতাৰ সৈতে মহাপুৰুষ শংকৰদেৱৰ কথোপকথনৰ নমুনা পৰ্যালোচনা কৰিব পাৰি। 'কথা গুৰুচৰিত'ত মহাপুৰুষ শংকৰদেৱ আৰু গোবিন্দ আতাৰ মাজত হোৱা কথোপকথনখিনি এনেদৰে দিয়া আছে—"আৰু গাৰো গোবিন্দ আতৈ আছিল। গুৰুজনে সুধিলে- গোবিন্দ দেখো আহিছাঁ। যাওতে ভকতে বোলে গুৰুজনক 'তই' কিয় বোলা? বোলে তুমি তোম্ৰা এনেকৈ বুলিব লাগে। গৈ চাৰিখন ভাৰ লৈ আকৌ আহিল। বোলে গোবিন্দ দেখো আকৌ আহিছা ? বোলে বাপ, তোকে তুমি বুলিবলৈ আহিছো। বোলে এ গোবিন্দ, তই বুলিলে যিমান সন্তোষ পাওঁ, আনে তুমি বুলিলেও তিমান নাপাওঁ। তেহে গ'ল আতৈ।"[২]

ৰাভাসকল প্ৰকৃতিৰ ওপৰত নিৰ্ভৰশীল। এই কথা তেওঁলোকৰ মাজত প্ৰচলিত গীত-মাত, দৈনন্দিন জীৱনত ব্যৱহৃত সামগ্ৰীৰ নাম আদিৰ মাজেদি প্ৰতিফলিত হৈছে।"চাবি ঐ চাম্ফালি হাতী ঐ উজাই যায়, কুবাবাকে খুজিলুং চিপবাৰী নাই।"—আদি গীতে ৰাভাসকলে যে অৰণ্যৰ আশে-পাশে বাস কৰে, সেই কথা প্ৰতিফলিত কৰে। তেওঁলোকে অৰণ্যৰ আশে-পাশে বাস কৰাই নহয়, সেই অৰণ্যৰ পৰা খাদ্যাদিও সংগ্ৰহ কৰে। যেনে—

ঝিম টেঙা / গাজ টেঙা, 'বাঁহ গাজৰ পৰা তৈয়াৰ কৰা পকা খৰিচা'
দাউৱা ছাল, 'তামোলৰ পৰিৱৰ্তে খাব পৰা ডেৰা ছালি'
আবু টেঙা, 'এবিধ বনৰীয়া টেঙা'
সিদ'ল/ সিন্দ'ল, ' চানা কচু আৰু শুকান মাছ খুন্দিয়াই চুঙাত সাঁচি ৰখা সুস্বাদু খাদ্য'
মেস্তা টেঙা, 'টেঙা মৰা'
আজেঙা, 'এবিধ বনৰীয়া শাক'

২. লেখাৰু, উপেন্দ্ৰ চন্দ্ৰ ঃ কথা গুৰু চৰিত, পঞ্চদশ সংস্কৰণ, ১৯৮৭, পৃ. ৪২৮

মেজেঙা, 'এবিধ বনৰীয়া শাক'

দৈনন্দিন জীৱনত লাগতিয়াল প্ৰায়ভাগ সামগ্ৰীয়েই ৰাভাসকলে প্ৰকৃতিৰ পৰা সংগ্ৰহ কৰে। সেইবোৰৰ ভিতৰত বেছি সংখ্যকেই বাঁহ-বেত-খেৰেৰে প্ৰস্তুত কৰা। যেনে—

জুঙাল, 'যুঁৰলি'

চুঙ্‌লি /সুংলি, 'গোজ'

মুই, 'মৈ'

ঝাপি, 'জাপি'

ছালাঙি, 'চালনি'

দুকুলা, 'এক ধৰণৰ পাচি'

খাচা, 'খাং'

দুলি, 'ডুলি'

দুন, 'দোন'

লুৰু,' এচাৰি'

হোংকোলা, 'জপনা'

চিয়াৰি বাৰী, 'তাঁতত ব্যৱহৃত সঁজুলি'

ফুল বাৰী, 'তাঁতত ফুল বাচোঁতে ব্যৱহাৰ কৰা কাঠি'

জাখা, 'জাকৈ'

খালে, 'খালৈ'

দুৰপতি / ভিচন /বিচন,'বিচনী'

জুৰ্‌খা/ঝুলকি, 'জুলকি'

ছালবাৰী, 'মূল শাল ধৰি ৰখা পথালি কাঠ বা মাৰি'

চুপ্ৰেং, 'পোহৰৰ প্ৰতিবিম্ব পেলাই মাছ ধৰা যতন'

চিৰ্‌পাং বাৰি, 'গৰু গাড়ীৰ শিল পাত'

গাৰি, 'দোৰ্পতি'

গুৰি বাৰী, 'ব দাঙি থোৱা মাৰি'

গুজি বাৰী, 'খৰিকা'

খিলামুৰি, 'দোৰ্পতিৰ দুই মূৰে সুমুৱাই দিয়া শলা'

মাখু,' মাকো'

থ'ৰ্কা, 'টনি মাৰি সুমুৱাই থ'ব পৰা বাঁহৰ চুঙা, টোকা, এবিধ বাদ্য যন্ত্ৰ'

তোপা, 'তোম'

ৰ'য়না/ৰায়না, 'কোৰোনা'

সিৰি খাতি, 'ব তোলা মাৰি'

কাৰা ন'ল, 'নল বাঁহৰ পৰা তৈয়াৰ কৰা এবিধ বাদ্য যন্ত্ৰ'

তুৰুলীয়া বাঁহী, 'এবিধ বাঁহী'

বুবুৰেঙা, 'বৰতা বনৰ পৰা তৈয়াৰ কৰা এবিধ বাদ্য যন্ত্ৰ'

ৰাভা সমাজত প্ৰচলিত বিভিন্ন শ্ৰেণীৰ মদে ৰাভাসকলৰ মাদক দ্ৰব্যৰ প্ৰতি থকা দুৰ্বলতাটোকে সূচায়। ৰাভামিজত প্ৰচলিত বিভিন্ন শ্ৰেণীৰ মদ আৰু সেইবোৰৰ লগত জৰিত কেতবোৰ শব্দ হ'ল—

খানোৰা ম'ত, 'দৰা পক্ষই কইনা পক্ষক সাধনীয়া ভাৰত দিব লগীয়া মদ'

ছিতি ম'ত / ব'গা ম'ত, 'এবিধ মদ'

ছিৰা ম'ত, 'এবিধ মদ'

গোৰা ম'ত, 'এক শ্ৰেণীৰ মদ'

মেৰা ম'ত, 'এবিধ মদ'

জোঙা ম'ত, 'এবিধ মদ'

ঝল ম'ত, 'এবিধ মদ'

পাকা ম'ত, 'এবিধ মদ'

জোঙা ম'ত, 'মাটিৰ হাড়ীত থোৰা মদ'

জাৰি ম'ত, 'ভোজত দিব লগীয়া ডাঙৰ হাড়ীত প্ৰস্তুত কৰা মদ'

ৰহি ম'ত, 'এবিধ মদ'

পোহা ম'ত, 'বহুদিন সাঁচি ৰখা মদ'

মাথা ম'ত, 'এক শ্রেণীৰ মদ'

ব'ৰা ম'ত, 'বৰা চাউলৰ পৰা তৈয়াৰ কৰা মদ'

জুগ্লি/ঝুগ্লি, 'মদৰ সিঠা'

সুৰাচি/বাখ'ৰ, 'মদ তৈয়াৰ কৰোঁতে ব্যৱহৃত ঔষধযুক্ত পিঠা'

ঝাৰ বুৰা, 'বেছি দিনলৈ মদ পাতি থ'লে নষ্ট হোৱা অৱস্থা'

বেৰেক/ ব্ৰেক/বুৰুৰা, 'মদ ঢালিবলৈ ব্যৱহাৰ কৰা তিতা লাউৰ খোলা'

জাম্থি/জাঁতি, 'মদ চেকিবলৈ ব্যৱহাৰ কৰা বাঁহৰ সঁজুলি'

জ'ঙাং, 'মদৰ হাড়ী, এবিধ মদ'

য'ত'ৰ কান'ত লাগা, 'গোলাপী নিচা হোৱা'

জোঙাই-জাঁথিয়ে স'মান, 'বয়সত ডাঙৰ ল'ৰা বা চোৱালীক বোকোচাত লোৱা কাৰ্য'

চ'প্চেং, 'ঘূৰী অৰ্থাৎ নলীযুক্ত টেকেলিৰে মদ খুউৱাৰ বেলিকা শেষ সোঁতা দিওঁতে পুনৰ বাৰ সামান্য এটোপ মুখলৈ দিয়া প্ৰথা'

খাটিৰ ভাৰ, 'বিয়াৰ তাৰিখ ঠিক কৰিবলৈ যাওঁতে নিয়া মদৰ ভাৰ'

চান টোকোৰা, 'পাত্ৰত জমা নকৰাকৈ লাওৰ টোকোৰাৰে মদ বিতৰণ কৰা নিয়ম'

ঝাঞ্জি অক্তা, 'ৰাইজৰ ভোজৰ ভাত খাই থকা অৱস্থাতে আলাসতে ওপৰৰ পৰা মুখত বাকী দি মদ খুউৱা প্ৰথা'

ৰাভামিজৰ মাজেদি ৰাভাসকলৰ সংস্কাৰ-কুসংস্কাৰ, বিশ্বাস-অবিশ্বাস, লোকাচাৰ আদি ফুটি উঠা দেখা যায়। ৰাভামিজত "পৰিহাৰ্য সম্বন্ধীয় লোকৰ মাজত অৰ্থাৎ ভাইশহুৰ (বৰজনাক)-

৩. এই সন্দৰ্ভত কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ 'জঙাপ্ৰিয়া' নামৰ কবিতাটিৰ শিৰোনামা ভাষাতাত্বিক দিশত মন কৰিবলগীয়া। আৰ্য-ভিন্ন জঙা শব্দৰ সৈতে আৰ্যমূলীয় প্ৰিয়া শব্দৰ সংকৰ হৈ জঙাপ্ৰিয়া শব্দৰ সৃষ্টি কৰা হৈছে। বিষ্ণুপ্ৰসাদ ৰাভা ৰচনা সম্ভাৰ, দ্বিতীয় খণ্ড,১৯৯৭, , পৃ-চ

ভাইবোহাৰী (ভাই বোৱাৰী), বুইনী জাঙই (ভনী জোঁৱাই)-ঝেৰা শাহু (জেশাহু) আৰু এই ধৰণৰ বিপৰীত লিঙ্গৰ মাজত পোন-পোটীয়াকৈ সম্বোধন কৰি কথা-বতৰা পতাৰ পৰিৱৰ্তে পৰোক্ষভাৱে কথা-বতৰা পতা হয়। এই ক্ষেত্ৰত ল'ৰা-ছোৱালীৰ নাম ধৰি 'অমুকৰ দেঠো/জেঠা' বা 'অমুকৰ মাইকে' বুলি নতুবা 'অমুকৰ আপা বা আপী' (জোৱাই বা বোৱাৰীৰ ক্ষেত্ৰত) বুলি পৰোক্ষ ভাৱে সম্বোধন কৰা হয়। অচিনাকি হ'লেও পুৰুষক হ'লে 'অ' বাপা/অ'বা', মহিলাক হ'লে 'অ' আই' আৰু সৰু ল'ৰা-ছোৱালীক হ'লে 'নুনু/নোনো' বুলি সম্বোধন কৰা হয়। ঘৰখনৰ আটাইতকৈ সৰু ল'ৰাক 'বুৰা' আৰু সৰু ছোৱালীক 'বুৰী' বুলি সম্বোধন কৰা হয়। সমজুৱা ভাৱে একেলগে মাতিব লাগিলে 'অয় লখায়' (সমনীয়াক), 'অ বাপা ৰাইজ/অ' বাপাহাৰে (বয়োজ্যেষ্ঠক), অ' আইহাৰে (বয়োজ্যেষ্ঠাক) আৰু নিজে নিজে কিবা কথাৰ পাতনি তৰিব লাগিলে 'হয় বুলুং' (হয়েঁৰা) বুলি উল্লেখ কৰা হয়।"[৪]

ৰাভামিজত খং, গৰিহনা, তাচ্ছিল্য, বিৰক্তি আদি ভাৱ প্ৰকাশ কৰোঁতে সঘনাই গুপ্তাঙ্গৰ নাম বা অশ্লীল শব্দৰ প্ৰয়োগ কৰা দেখা যায় আৰু বৃদ্ধাঙ্গুষ্ঠ প্ৰদৰ্শন কৰাৰ দৰে বিভিন্ন ধৰণৰ অঙ্গী-ভঙ্গীও কৰা হয়। গালি-শপনি পাৰোঁতে অথবা নিন্দা ভাৱ প্ৰকাশ কৰোঁতে নিম্ন লিখিত শব্দসমূহৰ বহুল প্ৰয়োগ কৰা দেখা যায়।

কালা দামাৰা, 'ক'লা দমৰা অৰ্থাৎ অতি অঘাইতং লোক'

তিৰিমুৰা, 'তিৰোতাৰ দৰে মুখ থকা পুৰুষ'

ঝেৰা, 'যি পুৰুষ তিৰোতাৰ দৰে দুৰ্বল'

ঝেৰা ডাকুৰা, 'তিৰোতাক জোকাই ভাল পোৱা পুৰুষ'

তিৰি ভাৰুৰা, 'তিৰোতা সেৰুৱা'

ধামা, 'অতি শকত আৰু আপোন পেটীয়া স্বভাৱৰ লোক'

মায়কক বহা, 'মাকক ভজা পুৰুষ'

বয়নাকক বহা, 'ভনীয়েকৰ লগত সংগম কৰা লোক'

বৈতালা, 'বনৰা'

বৈতালী, 'বনৰী'

---

৪. ৰাভা হাকাচাম, উপেন ঃ প্ৰাগুক্ত গ্ৰন্থ, ২০০৫, পৃ. ৬২

গাত্ৰা বেঙা, 'ধূম কলা'

গাত্ৰা বেঙী, 'ধূম কলী'

বিট'লীয়া, 'খুহুতীয়া, অবাইচ মাত মতা, অশালীন আচৰণ কৰা পুৰুষ'

ধুপুৰীয়া, 'নিজকে জহাই ফুৰা পুৰুষ'

শিয়ানাজালা, 'ভিতৰি টেঙৰ পুৰুষ'

তুৰি মুৰা/তুৰি মুখা, 'মুখ ওন্দোলাই থকা পুৰুষ'

তুৰিমুখী, 'মুখ ওন্দোলাই থকা মহিলা'

চেংজাৰা, 'আদ বলিয়া'

চেং জাৰী, 'আদ বলিয়া মহিলা'

কাউৰী চকুৰা, 'কেঁৰা চকুৰা পুৰুষ'

কাউৰী চকুৰানী, 'কেঁৰা চকুৰা মহিলা' ইত্যাদি।

ৰাভামিজৰ কিছুমান শব্দ বা বাক্যাংশৰ মাজেদি ৰাভাসকলৰ কিছুমান সামাজিক প্ৰথা, ৰীতি-নীতি আদিৰ আভাস পাব পাৰি। তেনেকুৱা ধৰণৰ কেতবোৰ শব্দ হ'ল[৫]—

অ'গ্ৰ'ংবাদ, 'অজ্ঞতাজনিত অপৰাধৰ বাবে প্ৰায়শ্চিত্ত বিধান'

অ'ঘোৰবাদ, 'অগম্য গমনৰ প্ৰায়শ্চিত্ত বিধান'

অ'চ'লবাদ, 'গোজনিত অপৰাধৰ বাবে প্ৰায়শ্চিত্ত বিধান'

অ'ধ'মবাদ, 'অনিয়মৰ দ্বাৰা বিবাহ বা সহবাসৰ প্ৰায়শ্চিত্ত বিধান'

একামাছি, 'চিকাৰৰ অংশ ঘৰে প্ৰতি সমান ভগাই লোৱা ব্যৱস্থা'

ক'ইনা সোধা ভাৰ, 'কইনা চাবলৈ যাওঁতে নিয়া ভাৰ'

কাচা ৰ'ছ, 'অনুষ্টপীয়াকৈ পতা ভোজ'

কানা ভাঙোৱা, 'মাছমৰা বা চিকাৰ কৰাৰ আগত বা পাছত শপত দিয়া প্ৰথা'

কাম্‌ছেনা, 'কেইবাটাও গিয়াতি লগ লাগি গঠিত হোৱা সামাজিক গোট'

খুম/খুন, 'বৈবাহিক সূত্ৰে লাভ কৰা স্বামী-স্ত্ৰীৰ গোত্ৰীয় বন্ধন'

খেদা দিয়া, 'বিবাহ, শ্ৰাদ্ধ আদি সামাজিক পৰ্বত গৃহস্থক সহায় স্বৰূপে আগবঢ়োৱা

৫.ৰাভা হাকাচাম, উপেন ঃ প্ৰাগুক্ত গ্ৰন্থ, ২০০৫, পৃ-৯৯-১১১

চাউল, মদ, মাংস ইত্যাদি'

গাওধ'ন/দাই, 'কইনাৰ বাবে দিবলগীয়া তামোল-পান নতুবা টকাৰ পণ'

গিয়াতি/গিয়াছতি, 'কেইবাটাও পৰিয়াল মিলি গঠিত হোৱা এটা সামাজিক গোট। ইয়াৰ মুৰব্বীজনক মণ্ডল বা পাটগিৰি বোলা হয়।'

গুলুৰি কাপোৰ, 'বিয়াত দৰাৰ ফালৰ পৰা কইনাৰ মাকক দিবলগীয়া মান কাপোৰ'

গোটা তামুল খোৱা, 'বিয়া বন্দবস্ত হোৱা পৰ্ব'

ঘ'ট ৰাঙোৱা, 'বিয়াৰ দিনা নতুন ঘট ৰঙা ৰঙেৰে বোলোৱা পৰ্ব আৰু তাৰ লগত জৰিত বিয়াগীত'

ঘ'ৰ ঘেৰানী, 'মাঘ বিহুৰ উৰুকাৰ দিনা এৰা সূতাৰে গৃহ বন্ধন কৰা পৰ্ব'

ঘ'ৰ ফিৰানি, 'আঠ মঙলা সদৃশ বিবাহৰ এক পৰ্ব'

চান্দোৱা, 'মৰা শ সৎকাৰ কৰি তাৰ ওপৰত চাৰিডাল খুটি পুতি চন্দ্ৰতাপ তৰি দিয়া কাপোৰ'

চালাঙি বাতি, 'বিয়াৰ দৰা-কইনাক আদৰোঁতে ব্যৱহাৰ কৰা নতুন চালনি আৰু চাকি। চালনিখনৰ চাৰিওফালে কলপটুৱাৰে ঘূৰণীয়াকৈ আবৃত কৰি লৈ তাৰ মাজত বন্তি প্ৰজ্বলন কৰা প্ৰথা বিশেষ।'

চিৰা টোপ্লা দিয়া, 'বিয়াৰ প্ৰস্তাৱ নিওতে দৰা পক্ষই নিব লগীয়া ভাৰ'

ছাৰ দিয়া, 'ৰাজহুৱা কোনো কাম (জাল চিকাৰ বা মাছ চিকাৰ) কৰাৰ বাবে আগতীয়াকৈ জাননী দিয়া প্ৰথা'

জামাদ, 'কেইবাটাও কামছ্নো অৰ্থাৎ দল লগ লাগি গঠিত হোৱা সামাজিক গোট বিশেষ'

জিনিহাৰি, 'বলাৎকাৰজনিত অপবাদ, এবিধ প্ৰায়শ্চিত্ত বিধান'

টোকোৰা ফুংকোৰা, 'এটা তিতা লাওৰ খোলত এঙাৰ এটুকুৰা আৰু কিছু পানী ভৰাই লৈ মুখেৰে মন্ত্ৰ মাতি ভ ভ কৰি শব্দ উলিয়াই

আৰু থুৰাই পেটত মোহাৰি দিলে 'মৰা লাৰা' অৰ্থাৎ মৃতকে লম্ভা ৰোগ আৰোগ্য হয়। ইয়াকে টোকোৰা ফুংকোৰা বোলে।'

ডাইনী ফেলাৰা, 'ডাইনীৰ নামত ভোজৰ আগে আগে পূজা দি আলি বাটত থৈ অহা প্ৰথা'

নেওচা/নেওচনি দিয়া, 'কোনো বস্তু বা খেৰকুটা মূৰৰ ওপৰেদি সাত বাৰ ঘূৰাই কোনো দেৱতাৰ নামত বিসৰ্জন দিয়া প্ৰথা'

নোকছামি, 'কইনাঘৰীয়া লোকৰ যিসকলে বিয়াৰ দিনা আগবঢ়াই থ'বলৈ দৰাৰ ঘৰলৈ আহে'

পাকাৰছ, 'অতি আড়ম্বৰ পূৰ্ণ বিয়াৰ ভোজ'

পানীয়াৰী বিদাকী, 'ভোজৰ অন্তত এজোঙা মদেৰে পানীয়াৰীক (শ্ৰাদ্ধ বা বিয়াৰ ভোজৰ কাম কৰিবলৈ নিযুক্ত আবৈয়ী গাভৰু বা অকুমাৰী ছোৱালীৰ দল) মাননী দিয়া প্ৰথা'

ফাৰালবাদ, 'অন্য জাতিৰ সৈতে সম্পৰ্কজনিত প্ৰায়শ্চিত্ত বিধান'

বাদ, 'সামাজিক অপৰাধৰ প্ৰায়শ্চিত্ত বিধান। ই কেইবা প্ৰকাৰৰো। যেনে— ৰবাদ, মাছকিলাবাদ (মধ্যমীয়া), অহমুখীবাদ, কাওৱালীবাদ (প্ৰাচীন), অগ্ৰংবাদ, অঘোৰবাদ, ফাৰালবাদ, অচলবাদ (অৰ্বাচীন)।'

বাপদায়, 'পিতৃ হিচাপে গ্ৰহণ কৰা সামাজিক প্ৰথা'

ভান্দ্ৰা খাওৱা, 'মাঘ বিহুৰ উৰুকাত ৰাইজে ভোজ-ভাত খোৱা প্ৰথা। ভান্দ্ৰা অৰ্থাৎ ৰাজহুৱা ভঁৰালৰ পৰা এনে ভোজৰ খৰচ যোগান ধৰা হয় বাবে এই প্ৰথাৰ নাম।'

সন্মিল'ন, 'কেইবাটাও জামাদৰ সমষ্টি। জামাদে মিমাংসা কৰিব নোৱাৰা সামাজিক ন্যায়-বিধি সন্মিলনে সমাধা কৰে।'

সাউৰি খোৱা/দিয়া, 'উপযাচি গৈ সমজুৱা ভাৱে কাৰোবাৰ ঘৰৰ কাম কৰি দিয়া প্ৰথা।'

হাঙাৰ ধ'ৰা, 'দৰা ঘৰীয়াক কইনা ঘৰীয়া লোকে হেঙাৰেৰে বাট আগুৰি ধৰি দৰাক প্ৰশ্ন বানেৰে জব্দ কৰা আৰু মাননী আদায় কৰা বিবাহৰ অনুষ্ঠান বিশেষ।'

হাতা ছুৱানী/ছিনি, 'সদ্য বিবাহিতা কইনাৰ হাতে বিতৰণ কৰিব লগীয়া বিয়াৰ প্ৰথম ভোজ। কাঠৰ হাতাত এহেতো ভাত লৈ তাৰে সকলো এভ্যাগত লোকক জুৰিব পৰাকৈ হাতেৰে ছুই যায় বাবে এই নাম।'

হাৰা কুৰাবা যাওৱা, 'বাহী বিয়াৰ দিনা কইনা ঘৰীয়াই কইনাৰ খা-খবৰ ল'বলৈ যোৱা প্ৰথা।'

হাৱাল খেদা, 'ভূত-প্ৰেত, অপদেৱতা আদিক হাৱাল অৰ্থাৎ কলপটুৱাৰ নাৱত তুলি দি খেদি পঠোৱা পৰ্ব।'

হুৰদুনিৱালা, 'থু থু বুলি হুৰ দুনি (হৰি ধ্বনি) দি মাছ আদি মাৰোতে মুখ ভঙা প্ৰথা।'

পাতি ৰাভাসকলেও ৰাভাসকলৰ নিচিনাকৈয়ে সুখ-দুখ, বিস্ময়বোধক, সম্বোধনবোধক, সমিধানবোধক আদি ভাৱ-অনুভূতিসমূহ ৰাভা ভাষীসকলৰ নিচিনাকৈয়ে প্ৰাকাশ কৰে। ৰাভা ভাষীসকলৰ দৰেই এওঁলোকেও দুখ প্ৰকাশৰ ক্ষেত্ৰত 'আগাদাই'[৬], আনন্দ প্ৰকাশৰ ক্ষেত্ৰত 'জোৰদে', সমিধানৰ ক্ষেত্ৰত 'অ' ', সম্বোধনৰ ক্ষেত্ৰত 'হগো', প্ৰশ্ন কৰোতে 'না', গাহৰি আদি জন্তুক মাতোতে 'পয় পয়' (ৰাভা ফু'ই ফু'ই), কুকুৰাক মাতোতে 'কিৰি কিৰি' আদি শব্দৰ প্ৰয়োগ কৰে।

এইদৰে পাতি ৰাভাসকলৰ কথিত অসমীয়া অৰ্থাৎ ৰাভামিজৰ বিভিন্ন সমলত ৰাভা সমাজৰ বিভিন্ন চিত্ৰ প্ৰতিফলিত হৈছে। আনকি ৰাভা ভাষীসকলৰ সুখ-দুখৰ অনুৰূপ অভিব্যক্তিও ৰাভামিজত আত্ম প্ৰকাশ ঘটিছে।

---

৬. নগেন্দ্ৰ নাৰায়ণ চৌধুৰীয়ে 'পোহাৰী' নামৰ গল্পৰ এটা চৰিত্ৰৰ মুখত এই দুখ প্ৰকাশক অব্যয়টিৰ সফল প্ৰয়োগ কৰিছে। (গৌণ উৎস ঃ ৰাভা হাকাচাম, উপেন ঃ অসমীয়া সাহিত্যত ৰাভা জনজীৱনৰ প্ৰতিফলন, **ভাষা-সাহিত্য-কলাৰ গলপতা**, সম্পা ঃ সৰকাৰ ডেকা, আল্পনা আৰু ৰাভা, মলিনাদেৱী, ২০০২, পৃ-৯৩

## ১১.১১ প্ৰধান ৰাভা গাঁওসমূহৰ তালিকা ঃ

বকো ৰাজহ চক্ৰৰ অন্তৰ্গত গাঁওসমূহ ঃ

| | |
|---|---|
| আগছিয়া | আটকুপাৰা |
| উত্তৰ চেখাদাৰী | ওমৰেংকোণা |
| কাইঠপাৰা | কেন্দুগুৰি |
| খাটলা | খটখটী |
| খাটাজুলি | খেনাপাৰা |
| গাধপুটা | গামেৰিমূৰা |
| গোসানীমাৰা | চকাবাহা |
| চৈকাটা | জবেপাৰা |
| জাৰাপাৰা | ডাকুৰাপাৰা |
| ডেকাপাৰা | তিনিঘৰীয়া |
| দখলাই | দক্ষিণচেখাদাৰী |
| দাখিলিপাৰা | দুৰাপাৰা |
| ধোপগুৰি | নাগোপাৰা |
| নালাঘাট | নামপাথাৰ |
| নালাপাৰা | নিজ বেকেলি |
| পয়ৰাঙ্গা | পাখাৰাপাৰা |
| বৰপাৰা | বাকাৰাপাৰা |
| বাঘৰগাঁও | বেলপাৰা |
| বোন্দাপাৰা | ভাটীপাৰা |
| ভেহুৰা | মুগাখোল |
| মৈৰাচৰা | মৌমান |
| ৰাজাপাৰা | লাংকোণা |

| | |
|---|---|
| শামুকা | শাখাতি |
| শিলোবৰী | হাহিম। |

ছয়গাঁও ৰাজহ চক্ৰৰ অন্তৰ্গত গাঁওসমূহ ঃ

| | |
|---|---|
| আগছিয়া | আলুখুন্দা |
| ঔগুৰি | ঔফুলা |
| কালাবাকাৰা | কহুৱা |
| কাৰীপাৰা | কিষানপুৰ |
| কোচপাৰা | খাটলপাৰা |
| খাটিৰা | গলেবকা |
| চক্ৰশিলা | চৌধুৰীখাট |
| চৌধুৰীপাৰা | ছিদিলাপাৰা |
| জাৰুৱা গাঁও | জালুকবাৰী |
| ডাকুৱাপাৰা | দুলিয়া গাঁও |
| দিলীয়াপাৰা | ধনিয়াগাঁও |
| নধিয়াপাৰা | নিচিমপুৰ |
| নিজ বগাই | পাগ্লাপাৰা |
| পাটগাঁও খাৰ বাখাৰ | পাণ্টান |
| পাৰুগাঁও | ফালাঘাট |
| ফালাফাং | ফুলগুৰি |
| বকলিপাৰা | বকবাহাৰ |
| বৰখাল | বৰবাকাৰা |
| বৰঝাৰ | বাকাৰাপাৰা |
| বাঘমাৰা | বাটাকুছি |
| বামুনীগাঁও | বাহজানী |

| | |
|---|---|
| বীৰপাৰা | ভেৰভেৰী |
| মইনাপাৰা | মাজপাৰা |
| মিলাঘাট | যুগিবাৰী |
| ৰতনপুৰ | লামগাঁও |
| শোলামুখ | হাতীগড় । |

ৰংজুলি ৰাজহ চক্ৰৰ অন্তৰ্গত গাঁওসমূহ ঃ

| | |
|---|---|
| অম্বুক | কন্যাকুছি |
| কাঁহিবাৰী | কোঠাকুঠি |
| খামাৰ | খিলামাৰা |
| গণেশ পাহাৰ | ঘাগ্ৰা পাহাৰ |
| গাঠিয়াপাৰা | গোহাইবুৰি |
| ঘিলাবাৰী | চিতলমাৰী বনগাঁও |
| চেখোৱাৰী | ছৰ্দাৰপাৰা |
| ছাটাবাৰী | দুমাপাৰা |
| ঠাকুৰীয়াপাৰা | দীঘলী |
| পাতপাৰা | পিপলিবাৰী |
| ফকিৰপাৰা | বাকাৰাপাৰা |
| মাছলাম | মাদাং |
| মাজপাৰা খামাৰ | সাৰাপাৰা |

দুধনৈ ৰাজহ চক্ৰৰ অন্তৰ্গত গাঁওসমূহ ঃ

| | |
|---|---|
| কন্যাকুছি পাহাৰ | কুছধোৱা |
| খাৰা | চৰাইমাৰী |
| চৌকা কাটা | ছুচিয়া |

ছিলুক
ঠেকাছু
দেউলগুৰি
দীঘলী
নৰগ্ৰাম
পুৰণিভিটা
পদুপাৰা
ফফল
বগুলামাৰী
বৰ পাথাৰ
বনবাসী
মনুপাৰা
মোৰামাৰী

মাটিয়া ৰাজহ চক্ৰৰ অন্তৰ্গত গাঁওসমূহ ঃ

কালপানী ঘিলাজানী
কৃষ্ণাই গুৰিয়া
গুৰাবাৰী
খামাৰ
খাৰদাং
ঘোঁৰাপুটা
চেনীমাৰী
ছৰ্দাৰপাৰা
ছেলাপাৰা
জিৰা
দহেলা
দাৰাপাৰা
দায়ৰং
ধাইগাঁও দামাছ
পাহিদল
বনগাঁও
লালাবৰী
বেলপাৰা
শালপাৰা
শ্যামনগৰ
হাতীমূৰা

লক্ষীপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত গাঁওসমূহ ঃ

অভিৰাম পাৰা
কুৰ্ছা পাখ্‌ৰি
কৃষপুৰ
ছাটাবাৰী

| | |
|---|---|
| ছিগ্রি | জয়ৰামকুছি |
| জাঞ্জিপাৰা | ত্রিচিমকালী পানদোবা |
| দিপ্‌কাই | দেপাখাং |
| দেপালচুং | ধোকাপাৰা |
| নলবাৰী | নয়াপাৰা |
| নাহলিৰভিটা | পানীশালী |
| ফকিৰমাৰা | বামুনদোবা |
| বাইদা | বালাচাৰি |
| মঘো | মালাধৰা |
| হাতীশিলা | |

ধুবুৰী জিলাৰ অন্তৰ্গত ৰাভা গাঁওসমূহ ঃ

| | |
|---|---|
| খোপাতী | বাশবাৰী |
| কাজিগাঁও | দেবীতোলা |
| দুদুমাৰী | অভয়াকুটি |

কোক্‌ৰাঝাৰ জিলাৰ অন্তৰ্গত ৰাভা গাঁওসমূহ ঃ

| | |
|---|---|
| মাগুৰমাৰী | কাক্‌ৰা গাঁও |
| হল্টু গাঁও | সাপকাটা |
| ছেৰফাংগুৰি | কাশিয়াবাৰী |
| কচু গাঁও | বৰ্লামঝাৰ |

নলবাৰী জিলাৰ অন্তৰ্গত ৰাভা গাঁওসমূহ ঃ

| | |
|---|---|
| আলাগঝাৰ | উপৰ ছৰেয়া |
| উলুবাৰী | কাটলিগাঁও |

কালঝাৰ
চাপাতল
চাৰানপাৰা
চাৰাংবাৰী
ছ্‌ৰনকাটা
টোটলাপাৰা
ঢেকীপোতা-জাঁজিকোনা
থমনা
থানগুৰি
পদ্মপুৰ
পথাৰপাৰ-পূব হাউলি
বনবাৰী
বাতাবাৰী-চৌধুৰীখাট
বালিশিহা
বুগৰিবাৰী
ৰামপুৰ
লাফাকুচি

দৰং জিলাৰ অন্তৰ্গত ৰাভা গাঁওসমূহ ঃ

অহমঘাট
ওদালগুৰি
কচাইতল
কঠালবাৰী
কলবাৰী
কাকাৰামাৰী
কুল্‌চিপাৰ
খানাপাৰা
গব্‌চা চুবা
গাছবাৰী
গেৰুৰা
ঘোঁৰাশাল
জামুগুৰি
ঝাৰকোণা
ঝাৰগাঁও
দমপাৰা
নাৰিকলমুখা
ধোকাপাৰা
পানেৰী
বকপুৰী
বজ্ৰাঘাট
বটাবাৰী
বৰবাৰী
বেংবাৰী
বুদ্ৰা
ভুকুলিকান্দা
ভেৰগাঁও
মাকেলিকান্দা

মৈৰাবাৰী
মৈৰামুখ
ৰঙাগাঁও
লটাঘাট
সোণাঘাট
হাটীদিয়া
হাঁহিনী

মেঘালয়ৰ অন্তৰ্গত ৰাভা অঞ্চলসমূহ ঃ

ওদালগুৰি
ছুৰাৰমাৰী
জংলা
নাগুৰা
পাহাম
ফটামাটি
ফেদাৰ ডোবা
বৰবাখ্ৰা
মাণিকগঞ্জ
শ্যামনগৰ
হালাইদোঙ্গা

পশ্চিমবঙ্গৰ অন্তৰ্গত ৰাভা অঞ্চলসমূহ ঃ

আটিয়া মছ্ৰ
কামাখ্যাগুড়ি
কোদালবস্তি
কুক্লুং বস্তি
খয়াৰবাৰী
গাৰোকাটা
গোদাধৰ
গোসাইহাট
ঘাক্‌ছাগোড়া
চিক্‌লিগুড়ি
চিলাপাথাৰ
চেংমাৰী
ছেট্টীৰামপুৰ
তাৰেয়া
দলদলি
ধুমচি
নাৰাৰথলি
পাগলীকুট্টি
পাটকাপাৰা
পূৰ্ব শালবাৰী
বৰশালবাৰী
বাঁশ ৰাজা

মঙ্গলকাটা

মেন্দাবাড়ী

শিববাড়ী

মাৰাখাতা

মেলাবসতি

হেমাগুড়ি ইত্যাদি।